4G 7:52 ··· 90%

●অষ্ট্ৰেলীয়:ভাৰতত বসতি স্থাপন কৰা প্ৰথমটো প্ৰজাতি হৈছে অষ্ট্ৰেলীয়সকল।এওঁলোকক অষ্ট্ৰিক,প্ৰট'-অষ্ট্ৰলইড বা অষ্ট্ৰ-এচিয়াটিক নামেৰেও জনা যায়। এওঁলোকৰ অৱয়বিক লক্ষণ এনেধৰণৰ- চুলিৰ বৰণ ক'লা, দাড়ি আৰু গাৰ নোম সৰহ,মুখমণ্ডল ঠেক,চকুৰ ওপৰৰ অংশৰ হাড় স্পষ্ট।অষ্ট্ৰিকসকলৰ এটা শাখা কোল-মুণ্ডাৰী লোকসকল অসমৰ চাহ বাগিচাত পোৱা যায়। অসমীয়া জাতি গঠনৰ লগতে অসমীয়া সংস্কৃতিলৈও অষ্ট্ৰিকসকলে প্ৰভূত বৰঙণি আগবঢ়াইছে। এওঁলোকেই ভাৰতবৰ্ষত পোন-প্ৰথমে কৃষি-কাৰ্যৰ আৰম্ভণি কৰিছিল। অসমীয়া সমাজত বহুলভাৱে ব্যৱহৃত তামোল-পান অষ্ট্ৰিকসকলৰে অৱদান। এনেদৰে অসমীয়া জাতি গঠনত আৰু অসমীয়া সংস্কৃতিত অষ্ট্ৰিকসকলে গুৰুত্বপূৰ্ণ স্থান লাভ কৰি আহিছে।

●মংগোলীয়:অষ্ট্ৰিকসকলৰ পাছতেই অসমলৈ মংগোলীয় গোষ্ঠীৰ লোকসকলৰ আগমন ঘটে। প্ৰাগ ঐতিহাসিক কালতে মংগোলীয় গোষ্ঠীৰ তিব্বতবৰ্মী লোকসকলে চীন দেশৰ দক্ষিণ অংশৰ পৰা ব্ৰহ্মপুত্ৰ, ইৰাৱতী,মেকং আদি নদীয়েদি আহি অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰে। কালক্ৰমত তেওঁলোক সৰু সৰু জাতি জনজাতিত পৰিণত হৈ উত্তৰে হিমালয়, পূৱে উত্তৰ-পূব সীমান্ত অঞ্চল,দক্ষিণে নগা পাহাৰ আৰু পশ্চিমে ধুবুৰী জিলালৈকে মংগোলীয় গোষ্ঠীৰ বড়ো,ৰাভা, মিচিং, কাৰ্বি,দেউৰী,চুতীয়া আদি

4G 7:52 ··· 90%

সৰু জাতি জনজাতিত পৰিণত হৈ উত্তৰে হিমালয়, পূৱে উত্তৰ-পূৱ সীমান্ত অঞ্চল,দক্ষিণে নগা পাহাৰ আৰু পশ্চিমে ধুবুৰী জিলালৈকে মংগোলীয় গোষ্ঠীৰ বড়ো,ৰাভা, মিচিং, কাৰ্বি,দেউৰী,চুতীয়া আদি লোকসকল বিয়পি পৰে আৰু এওঁলোকৰ নিজা সংস্কৃতি গঢ়ি তোলে।অসমীয়া সমাজত প্ৰচলিত বাঁহ গাজ,চুঙা পিঠা,খাৰ খোৱা, মাছ মৰা,মৃতকক সৎকাৰ কৰা আদি ৰীতি-নীতি মংগোলীয় সকলৰ অৱদান। এওঁলোকৰ অৱয়বিক লক্ষণ এনেধৰণৰ-চৰ্মবৰ্ণ পীত, চুলি ক'লা,দাড়ি আৰু গাৰ নোম তাকৰ,মুখমণ্ডল বহল আৰু চেপেটা,কপালৰ অস্থি স্পষ্ট,নেত্ৰ বক্ৰ,নেত্ৰকোণ ঠেক।

●ক'কেছীয়:অসমলৈ প্ৰব্ৰজন কৰা শেষৰটো নৃ-গোষ্ঠী হৈছে ক'কেছীয় সকল। এওঁলোকৰ অৱয়বিক লক্ষণ এনেধৰণৰ - সংকীৰ্ণ আৰু উচ্চ নাসিক্য,ঢৌ খেলোৱা চুলি,প্ৰশস্ত বক্ষ। এওঁলোকে প্ৰাগ ঐতিহাসিক কালতে ভাৰতলৈ আহি ক্ৰমান্বয়ে অসমতো প্ৰৱেশ কৰে। অসমৰ ব্ৰাহ্মণ, কায়স্থ,কলিতা, বৈশ্য লোকসকল আৰ্যগোষ্ঠীৰ লোক। এওঁলোকে মানৱ সভ্যতাৰ তিনিটা স্তৰ জুইৰ ব্যৱহাৰ, কৃষি-কৰ্ম আৰু নগৰ সভ্যতা গঢ়ি তোলে।

অসমীয়া মানুহৰ জৈৱিক চৰিত্ৰ গঠনৰ ক্ষেত্ৰত ক'কেছীয়, মংগোলীয় আৰু অষ্ট্ৰেলীয় নৃ-প্ৰজাতিৰ অৱদান অতুলনীয়।(অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয়, ভুবন মোহন দাস)

7:55 89%
Do Search Within Portal

আলোচনালৈ আগবাঢ়োঁ।

প্ৰাকৃতিকভাৱে অতি বৈচিত্ৰ্যপূৰ্ণ পৰিৱেশত অৱস্থিত অসম নামৰ এই ভূ-খণ্ডলৈ পুৰণি কালৰেপৰা বিভিন্ন দিশৰপৰা প্ৰব্ৰজন হৈ আছে – সেয়া লাগিলে সীমামূৰীয়া গিৰিপথবোৰেও হওক বা ব্ৰহ্মপুত্ৰ-গংগা উপত্যকাৰ প্ৰশস্ত পথ বা এসময়ৰ সাগৰীয় পথেই নহওক কিয়। উত্তৰ-পূব দিশত থকা পাটকাই পৰ্বতৰ মাজৰ গিৰিপথবোৰেৰে টাই-ভাষী মংগোলীয় লোকসকলে প্ৰবেশ কৰিছিল বুলি আমি ইতিহাসৰ বিভিন্ন স্থানত পাওঁ। বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ ভাষা পৰিয়াল চীন-তিব্বতীয়ৰ অন্তৰ্গত অসমত বাস কৰা মংগোলীয় লোকসকলক ভাষাৰ ভিত্তিত আমি তিব্বত-বৰ্মীভাষী আৰু শ্যাম-চীনীয় বা টাই-ভাষী এই দুটা প্ৰধান ভাগত ভগাব পাৰোঁ। তিব্বত-বৰ্মীভাষী লোকসকলৰ আদি বাসস্থান আছিল চীন দেশৰ দক্ষিণ-পশ্চিম অঞ্চলৰ ইয়াংচিকিয়াং আৰু হোৱাংহো নদীৰ উজনিভাগ। তেওঁলোকৰ এটা দলে এসময়ত দক্ষিণলৈ গতি কৰি ম্যানমাৰৰ উত্তৰ-পূব অঞ্চলত উপস্থিত হৈ তাতে দুটা ভাগত ভাগ হয়। তাৰে এটা ভাগে দক্ষিণলৈ গৈ থাকি দক্ষিণ-পূব এছিয়াত উপনীত হয়। যাত্ৰা পথত কোনো কোনোৱে দিশ পৰিৱৰ্তন কৰি পশ্চিমলৈ খোজ লৈ উত্তৰ-পূব ভাৰতত প্ৰৱেশ কৰে। বিভিন্নজনৰ মতে এওঁলোকেই উত্তৰ-পূৰ্বাঞ্চলৰ নগা, কুকি, মিজো আদি জনসমষ্টিৰ পূৰ্বপুৰুষ বা আদি পুৰুষ আছিল। আনটো ভাগে হিমালয়ৰ পাদদেশেৰে পশ্চিমলৈ গতি কৰি নেপাল, ভূটান, তিব্বত আদি আঞ্চলত বাস কৰিবলৈ লয়। ইতিমধ্যে তিব্বত, নেপাল, ভূটান আদিত বিস্তাৰিত হৈ পৰা এই ভাগটোৰ পৰাও কোনো কোনো অংশৰ আকৌ অসমলৈ প্ৰব্ৰজন ঘটিছিল। তাৰ পৰা দক্ষিণ দিশলৈ প্ৰব্ৰজন কৰি তেওঁলোকে ব্ৰহ্মপুত্ৰ উপত্যকা আৰু তাৰ আশে পাশে থকা পাহাৰবোৰত থিতাপি লয়। কিছুমানে আকৌ দক্ষিণফালে আৰু বেছি দূৰলৈ গৈ বৰাক উপত্যকা, ত্ৰিপুৰা আদিত বাস কৰিবলৈ লয়। ভুবন মোহন দাসে তৃতীয় স দল এটাৰ অসমত প্ৰৱেশৰ সম্ভাৱনাৰ কথা কৈছে –এই তৃতীয় দলটোৰ অসমলৈ আগমন হয় উত্তৰ-পূব কোণেৰে ব্ৰহ্মপুত্ৰ নদীৰ গতিপথেৰে। (দাস, ২০০৩, পৃ.৬৯) উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য বিভিন্ন

4G 7:55 89%
Do
Search Within Portal

জনসমষ্টিৰ মাজত প্ৰচলিত কিম্বদন্তীৰ দৰে গাৰোসকলৰ মাজত প্ৰচলিত কিম্বদন্তীয়েও তেওলোকৰ আদি বাসস্থান তিব্বত বুলিয়েই সাক্ষ্য দিয়ে। "অন্য কিছুমান জনসমষ্টিৰ মাজতো অনুৰূপ কিম্বদন্তীৰ প্ৰচলন আছে, যাৰপৰা কব পাৰি যে উত্তৰ দিশত থকা গিৰিপথবোৰেৰে বিভিন্ন সময়ত নানাবিধ মংগোলীয় লোকে চামে চামে অসমলৈ আহে।" (অসম সাহিত্য সভা, ১৯৯৬, পৃ.১৯) এইদৰেই এই মংগোলীয় লোকসকল বিভিন্ন সময়ত বিভিন্ন পথেৰে উত্তৰ-পূব ভাৰতলৈ আহি নানান ঠাইত সিঁচৰতি হৈ পৰিছিল। সুনীতি কুমাৰ চেটাৰ্জীয়ে উল্লেখ কৰা মতে সম্ভৱতঃ খ্ৰীষ্টপূৰ্ব ১০০০ বছৰৰ আগতে প্ৰাচীন তিব্বত-বৰ্মীভাষী লোক হিমালয়ৰ দক্ষিণ পাদদেশৰ পৰা অসম অথবা তিব্বতৰ মাজেৰে ভাৰতত প্ৰৱেশ কৰে। কিন্তু এওলোকৰ অসমলৈ বা ভাৰতবৰ্ষলৈ অহাৰ সঠিক সময় নিৰ্ধাৰণ কৰিবলৈ আজিকোপতি উপযুক্ত ঐতিহাসিক প্ৰমাণৰ অভাৱ। যজুৰ্বেদ আৰু অথৰ্ববেদত কিৰাতৰ উল্লেখ থকাটোৱেই তিব্বত-বৰ্মী মংগোলীয় লোকসকলে প্ৰাক-বৈদিক কালতে এই ভূ-খণ্ডৰে প্ৰব্ৰজন কৰাৰ প্ৰমাণ দিয়ে। কাৰণ বৈদিক আৰু সংস্কৃত সাহিত্যত মংগোলীয় গোষ্ঠীৰ লোকসকলক কিৰাত নামেৰে উল্লেখ কৰা হৈছে। এই কিৰাত নামটোৰ প্ৰথম উল্লেখ যজুৰ্বেদত পোৱা যায়। পুৰুষমেধ যজ্ঞ সম্পাদনৰ বাবে প্ৰয়োজনীয় সম্ভাৰৰ তালিকাত গুহাৰ বাবে বাবে গুহাবাসী কিৰাত শব্দটোও আছে। আনহাতে মহাভাৰতৰ বিভিন্ন ঘটনা, খ্ৰীষ্টীয় দশম শতিকাত ৰচিত কালিকা-পুৰাণৰ বৰ্ণনা, যজুৰ্বেদ, অথৰ্ববেদ, বিষ্ণুপুৰাণ, মাৰ্কণ্ডেয় পুৰাণ তথা হৰিবংশত থকা কিৰাতৰ বিভিন্ন উল্লেখ পৰা কিৰাতসকল মংগোলীয় গোষ্ঠীৰ বুলি আমি নিশ্চিত হোৱাৰ লগতে অতি প্ৰাচীন কালৰে পৰা তেওলোকে ভাৰতবৰ্ষৰ উত্তৰ আৰু উত্তৰ-পূৰ্বাঞ্চল তথা প্ৰাগজ্যোতিষ বা কামৰূপত বসবাসৰ কৰা বুলি আমি কব পাৰো। অৰ্থাৎ প্ৰাক-বৈদিক কালৰেপৰা তিব্বত-বৰ্মীভাষী মংগোলীয় লোকসকলে অসমত বসবাস কৰি আছে। নবীন চন্দ্ৰ শৰ্মাই উল্লেখ কৰিছে যে "চীন-তিব্বত ভাষা-ভাষী যিসকল মংগোলীয় গোষ্ঠীৰ লোক ভাৰতবৰ্ষলৈ প্ৰব্ৰজিত হৈ ভাৰতীয় সংস্কৃতিৰ

7:56 ··· 89%
Do Search Within Portal

লৈ পাৰ হৈ যোৱাৰ কথাও আমি কব পাৰো।

অসমৰ চাহ বাগানত কাম কৰিবলৈ বিহাৰ, উৰিষ্যা, মধ্যপ্ৰদেশ আদি ৰাজ্যৰপৰা অহা বহুতো কৰ্মী অষ্ট্ৰেলীয় প্ৰজাতিৰ লোক। এওলোক আধুনিক যুগত অহা যদিও অসমীয়া মানুহৰ মাজত এওলোকৰ পৰাও অষ্ট্ৰেলীয় প্ৰজাতীয় উপাদান প্ৰৱেশ কৰাৰ সম্ভাৱনা নথকা নহয়। "সাম্প্ৰতিক কালত অসমত কোনো অষ্ট্ৰেলীয় জনসমষ্টি নাই বুলি কোৱা হৈছে যদিও চাহ বাগিচাৰ কেতবোৰ জনসমষ্টি অষ্ট্ৰেলীয় প্ৰজাতিৰ ভিতৰত পৰে।"(দাস,২০০৩, পৃ.৪২) কোনো কোনো পণ্ডিতে উল্লেখ কৰা অষ্ট্ৰিক ভাষা আৰু অষ্ট্ৰেলীয় প্ৰজাতিৰ মাজত থকা সম্বন্ধলৈ লক্ষ্য ৰাখি আমি মেঘালয়ৰ খাছীয়াসকলৰ কথা উনুকিয়াব পাৰো। অষ্ট্ৰিক ভাষা কোৱা খাছীয়াসকলৰ মাজত মংগোলীয় জৈৱিক লক্ষণ স্পষ্ট ৰূপত বিদ্যমান। চাৰিওফালে তিব্বত-বৰ্মী ভাষী মংগোলীয়সকলৰদ্বাৰা পৰিৱেষ্টিত হৈও তেওলোকে নিজৰ মাজত অষ্ট্ৰিক ভাষা জীয়াই ৰখাতো সচাই মন কৰিবলগীয়া বৈশিষ্ট্য। শাৰীৰিক লক্ষণত আকৌ খাছীয়া আৰু তিব্বত-বৰ্মীভাষী লোকসকলৰ মাজত যথেষ্ট সাদৃশ্য পৰিলক্ষিত হয়। ইয়াৰ ব্যাখ্যা সুনীতি কুমাৰ চেটাৰ্জীয়ে এইদৰে দিছে – মংগলীয় খাছীয়া লোকসকল উত্তৰ-পূব কোণেৰে অসমত প্ৰৱেশ কৰে। তেওলোকৰ আগমনৰ পূৰ্বে এই ঠাইত অষ্ট্ৰেলীয় লোক বাস কৰিছিল। অষ্ট্ৰেলীয় লোকৰ ভাষা আছিল অষ্ট্ৰিক। খাছীয়াসকলে ইয়ালৈ আহি এই অষ্ট্ৰিক ভাষাকে গ্ৰহণ কৰিছিল। হয়তো এনেকোৱাও হব পাৰে অসমলৈ প্ৰব্ৰজনৰ পথত তেওলোকে ম্যানমাৰত (তেতিয়াৰ ব্ৰহ্মদেশত) অষ্ট্ৰিক ভাষা শিকিলে আৰু অসমলৈ আহি বড়ো ভাষা-ভাষীসকলৰ মাজত বস-বাস কৰিও নিজৰ ভাষাটো সংৰক্ষণ কৰি ৰাখিবলৈ সক্ষম হল। ভুবন মোহন দাসৰ মতে – খাছীয়াসকল দৰাচলতে অষ্ট্ৰেলীয়। তেওলোকৰ নিজৰ ভাষা অষ্ট্ৰিক। পিছত অহা মংগ'লীয় লোকৰ লগত তেওলোক এনেভাৱে সংমিশ্ৰিত হৈ গল যে তেওলোকে স্বকীয় অষ্ট্ৰেলীয় জৈৱিক বৈশিষ্ট্য হেৰুৱাই মংগ'লীয় প্ৰজাতীয় লক্ষণ ধাৰণ কৰিলে। কিন্তু ভাষাৰ পৰিৱৰ্তন নহল।পুৰণি অষ্ট্ৰিক ভাষা

4G 7:56 ··· 89%

সময়ত বিভিন্নলোকে অসমত প্ৰৱেশ কৰি স্থায়ীভাৱে বসবাস কৰাৰ উপৰিও আনহাতে ... বিভিন্ন প্ৰান্তলৈ পাৰ হৈ যোৱাৰ কথাও আমি কব পাৰো।

Do Search Within Portal

অসমৰ চাহ বাগানত কাম কৰিবলৈ বিহাৰ, উৰিষ্যা, মধ্যপ্ৰদেশ আদি ৰাজ্যৰপৰা অহা বহুতো কৰ্মী অষ্ট্ৰেলীয় প্ৰজাতিৰ লোক। এওলোক আধুনিক যুগত অহা যদিও অসমীয়া মানুহৰ মাজত এওলোকৰ পৰাও অষ্ট্ৰেলীয় প্ৰজাতীয় উপাদান প্ৰৱেশ কৰাৰ সম্ভাৱনা নথকা নহয়। “সাম্প্ৰতিক কালত অসমত কোনো অষ্ট্ৰেলীয় জনসমষ্টি নাই বুলি কোৱা হৈছে যদিও চাহ বাগিচাৰ কেতবোৰ জনসমষ্টি অষ্ট্ৰেলীয় প্ৰজাতিৰ ভিতৰত পৰে।”(দাস,২০০৩, পৃ.৪২) কোনো কোনো পণ্ডিতে উল্লেখ কৰা অষ্ট্ৰিক ভাষা আৰু অষ্ট্ৰেলীয় প্ৰজাতিৰ মাজত থকা সম্বন্ধলৈ লক্ষ্য ৰাখি আমি মেঘালয়ৰ খাছীয়াসকলৰ কথা উনুকিয়াব পাৰো। অষ্ট্ৰিক ভাষা কোৱা খাছীয়াসকলৰ মাজত মংগোলীয় জৈৱিক লক্ষণ স্পষ্ট ৰূপত বিদ্যমান। চাৰিওফালে তিব্বত-বৰ্মী ভাষী মংগোলীয়সকলৰদ্বাৰা পৰিৱেষ্টিত হৈও তেওলোকে নিজৰ মাজত অষ্ট্ৰিক ভাষা জীয়াই ৰখাতো সচাই মন কৰিবলগীয়া বৈশিষ্ট্য। শাৰীৰিক লক্ষণত আকৌ খাছীয়া আৰু তিব্বত-বৰ্মীভাষী লোকসকলৰ মাজত যথেষ্ট সাদৃশ্য পৰিলক্ষিত হয়। ইয়াৰ ব্যাখ্যা সুনীতি কুমাৰ চেটাৰ্জীয়ে এইদৰে দিছে – মংগলীয় খাছীয়া লোকসকল উত্তৰ-পূব কোণেৰে অসমত প্ৰৱেশ কৰে। তেওলোকৰ আগমনৰ পূৰ্বে এই ঠাইত অষ্ট্ৰেলীয় লোক বাস কৰিছিল। অষ্ট্ৰেলীয় লোকৰ ভাষা আছিল অষ্ট্ৰিক। খাছীয়াসকলে ইয়ালৈ আহি এই অষ্ট্ৰিক ভাষাকে গ্ৰহণ কৰিছিল। হয়তো এনেকোৱাও হব পাৰে অসমলৈ প্ৰব্ৰজনৰ পথত তেওলোকে ম্যানমাৰত (তেতিয়াৰ ব্ৰহ্মদেশত) অষ্ট্ৰিক ভাষা শিকিলে আৰু অসমলৈ আহি বড়ো ভাষা-ভাষীসকলৰ মাজত বস-বাস কৰিও নিজৰ ভাষাটো সংৰক্ষণ কৰি ৰাখিবলৈ সক্ষম হল। ভুবন মোহন দাসৰ মতে – খাছীয়াসকল দৰাচলতে অষ্ট্ৰেলীয়। তেওলোকৰ নিজৰ ভাষা অষ্ট্ৰিক। পিছত অহা মংগ'লীয় লোকৰ লগত তেওলোক এনেভাৱে সংমিশ্ৰিত হৈ গল যে তেওলোকে স্বকীয় অষ্ট্ৰেলীয় জৈৱিক বৈশিষ্ট্য হেৰুৱাই মংগ'লীয় প্ৰজাতীয় লক্ষণ ধাৰণ কৰিলে। কিন্তু ভাষাৰ পৰিৱৰ্তন নহল।পুৰণি অষ্ট্ৰিক ভাষা

4G 7:56 89%
Do Search Within Portal

অসমৰ চাহ বাগানত কাম কৰিবলৈ বিহাৰ, উৰিষ্যা, মধ্যপ্ৰদেশ আদি ৰাজ্যৰপৰা অহা বহুতো কৰ্মী অষ্ট্ৰেলীয় প্ৰজাতিৰ লোক। এওলোক আধুনিক যুগত অহা যদিও অসমীয়া মানুহৰ মাজত এওলোকৰ পৰাও অষ্ট্ৰেলীয় প্ৰজাতীয় উপাদান প্ৰৱেশ কৰাৰ সম্ভাৱনা নথকা নহয়। "সাম্প্ৰতিক কালত অসমত কোনো অষ্ট্ৰেলীয় জনসমষ্টি নাই বুলি কোৱা হৈছে যদিও চাহ বাগিচাৰ কেতবোৰ জনসমষ্টি অষ্ট্ৰেলীয় প্ৰজাতিৰ ভিতৰত পৰে।"(দাস,২০০৩, পৃ.৪২) কোনো কোনো পণ্ডিতে উল্লেখ কৰা অষ্ট্ৰিক ভাষা আৰু অষ্ট্ৰেলীয় প্ৰজাতিৰ মাজত থকা সম্বন্ধলৈ লক্ষ্য ৰাখি আমি মেঘালয়ৰ খাছীয়াসকলৰ কথা উনুকিয়াব পাৰো। অষ্ট্ৰিক ভাষা কোৱা খাছীয়াসকলৰ মাজত মংগোলীয় জৈৱিক লক্ষণ স্পষ্ট ৰূপত বিদ্যমান। চাৰিওফালে তিব্বত-বৰ্মী ভাষী মংগোলীয়সকলৰদ্বাৰা পৰিৱেষ্টিত হৈও তেওলোকে নিজৰ মাজত অষ্ট্ৰিক ভাষা জীয়াই ৰখাতো সচাই মন কৰিবলগীয়া বৈশিষ্ট্য। শাৰীৰিক লক্ষণত আকৌ খাছীয়া আৰু তিব্বত-বৰ্মীভাষী লোকসকলৰ মাজত যথেষ্ট সাদৃশ্য পৰিলক্ষিত হয়। ইয়াৰ ব্যাখ্যা সুনীতি কুমাৰ চেটাৰ্জীয়ে এইদৰে দিছে – মংগলীয় খাছীয়া লোকসকল উত্তৰ-পূব কোণেৰে অসমত প্ৰৱেশ কৰে। তেওলোকৰ আগমনৰ পূৰ্বে এই ঠাইত অষ্ট্ৰেলীয় লোক বাস কৰিছিল। অষ্ট্ৰেলীয় লোকৰ ভাষা আছিল অষ্ট্ৰিক। খাছীয়াসকলে ইয়ালৈ আহি এই অষ্ট্ৰিক ভাষাকে গ্ৰহণ কৰিছিল। হয়তো এনেকোৱাও হব পাৰে অসমলৈ প্ৰব্ৰজনৰ পথত তেওলোকে ম্যানমাৰত (তেতিয়াৰ ব্ৰহ্মদেশত) অষ্ট্ৰিক ভাষা শিকিলে আৰু অসমলৈ আহি বড়ো ভাষা-ভাষীসকলৰ মাজত বস-বাস কৰিও নিজৰ ভাষাটো সংৰক্ষণ কৰি ৰাখিবলৈ সক্ষম হল। ভুবন মোহন দাসৰ মতে – খাছীয়াসকল দৰাচলতে অষ্ট্ৰেলীয়। তেওলোকৰ নিজৰ ভাষা অষ্ট্ৰিক। পিছত অহা মংগ'লীয় লোকৰ লগত তেওলোক এনেভাৱে সংমিশ্ৰিত হৈ গল যে তেওলোকে স্বকীয় অষ্ট্ৰেলীয় জৈৱিক বৈশিষ্ট্য হেৰুৱাই মংগ'লীয় প্ৰজাতীয় লক্ষণ ধাৰণ কৰিলে। কিন্তু ভাষাৰ পৰিৱৰ্তন নহল।পুৰণি অষ্ট্ৰিক ভাষা

7:56 89%
Do
Search Within Portal

ভাষাৰ শব্দৰ ব্যৱহাৰ দেখা যায়।

অষ্ট্ৰেলীয়সকলৰ পিছতে ভাৰতবৰ্ষলৈ ভূমধ্যসাগৰীয় লোকসকল আহে। এওলোক ককেছীয়ৰ এটা প্ৰকাৰ। তেওলোকৰ আদি বাসস্থান ভূমধ্য সাগৰ অঞ্চলৰ ক্ৰীট দ্বীপ, লিছিয় প্ৰভৃতি এছিয়া মাইনৰৰ দক্ষিণ বা দক্ষিণ-পশ্চিম অঞ্চলত আছিল বুলি অনুমান কৰা হয়। এটা সময়ত ভূমধ্যসাগৰীয় লোক তেওলোকৰ আদি বাসস্থানৰপৰা ভাৰতৰ মাজেৰে দক্ষিণ-পূব এছিয়ালৈ বিয়পি পৰিছিল বুলি মানি লোৱাৰ যুক্তি আছে। ভাৰতৰ বিভিন্ন ঠাইৰপৰা উদ্ধাৰ হোৱা নৰকংকালৰ অৱশেষবোৰেও একালত ভূমধ্যসাগৰীয় লোক প্ৰায় সমগ্ৰ ভাৰতবৰ্ষতে সিঁচৰতি হৈ থকাৰে সাক্ষী দিয়ে। বিভিন্নজন পণ্ডিতে হৰপ্পা আৰু মহেঞ্জোডাৰত উদ্ধাৰ হোৱা অৱশেষবোৰতো ভূমধ্যসাগৰীয় উপাদানৰ উপস্থিতি লক্ষ্য কৰিছে। নৃতাত্ত্বিক হেডনে নগালোকৰ মাজত নেছিয়ট নামৰ উপাদানৰ উপস্থিতি ধৰা পেলোৱাৰ লৈ চাই আৰু ইয়াৰ ভূমধ্যসাগৰীয়ৰ উপাদানৰ লগত থকা মিলৰ লৈ চাই অতি প্ৰাচীন কালতে অসমত এনে ভূমধ্যসাগৰীয় জৈৱিক উপাদানৰ প্ৰৱেশৰ সম্ভাৱনাক আনি নুই কৰিব নোৱাৰো। পৌৰাণিক কাহিনীৰ দৃষ্টিৰে লক্ষ্য কৰিলে আমি দেখা পাও যে প্ৰাগজ্যোতিষপুৰৰ ৰজা নৰকাসুৰক বিদেহৰ ৰজাই তুলি-তালি ডাঙৰ-দীঘল কৰিছিল আৰু তেওৰ সহায়তে নৰকাসুৰে কিৰাতসকলক পৰাস্ত কৰিবলৈ সক্ষম হৈছিল। নৰকাসুৰে ৰাজপাটত বহি বিদেহৰ ৰজাৰ কন্যা মায়াৰ পাণি গ্ৰহণ কৰে। বিদেহৰ ৰজাক ভূমধ্যসাগৰীয় বুলি ধৰা হয়। বিদেহৰ ৰাজ্যত সকলো নহলেও কিছু পৰিমাণে নিজৰ প্ৰজাতিৰ প্ৰজাৰ বসবাস স্বাভাৱিক কথা। আনকি নৰকাসুৰ নিজে ভূমধ্যসাগৰীয় লোকো হব পাৰে। সেয়েহে আমি কব পাৰো নৰকাসুৰৰ সময়ত উত্তৰ-পূব ভাৰতত ভূমধ্যসাগৰীয় লোকৰ বিস্তৃতি আছিল। কনকলাল বৰুৱাৰ মতে আকৌ প্ৰাগজ্যোতিষ পূৰ্বৰেপৰা ভূমধ্যসাগৰীয় ৰাজ্য আছিল। (Baruah,1936) ভূমধ্যসাগৰীয় লোকৰ আৱয়বিক চৰিত্ৰলৈ লক্ষ্য কৰিলেও আমি কোনো কোনো অসমীয়া জাতিগোটৰ মাজত ভূমধ্যসাগৰীয়

4G 7:55 89%
Do
Search Within Portal

জনসমষ্টিৰ মাজত প্ৰচলিত কিম্বদন্তীৰ দৰে গাৰোসকলৰ মাজত প্ৰচলিত কিম্বদন্তীয়েও তেওলোকৰ আদি বাসস্থান তিব্বত বুলিয়েই সাক্ষ্য দিয়ে। “অন্য কিছুমান জনসমষ্টিৰ মাজতো অনুৰূপ কিম্বদন্তীৰ প্ৰচলন আছে, যাৰপৰা কব পাৰি যে উত্তৰ দিশত থকা গিৰিপথবোৰেৰে বিভিন্ন সময়ত নানাবিধ মংগোলীয় লোকে চামে চামে অসমলৈ আহে।” (অসম সাহিত্য সভা, ১৯৯৬, পৃ.১৯) এইদৰেই এই মংগোলীয় লোকসকল বিভিন্ন সময়ত বিভিন্ন পথেৰে উত্তৰ-পূব ভাৰতলৈ আহি নানান ঠাইত সিঁচৰতি হৈ পৰিছিল। সুনীতি কুমাৰ চেটাৰ্জীয়ে উল্লেখ কৰা মতে সম্ভৱতঃ খ্ৰীষ্টপূৰ্ব ১০০০ বছৰৰ আগতে প্ৰাচীন তিব্বত-বৰ্মীভাষী লোক হিমালয়ৰ দক্ষিণ পাদদেশৰ পৰা অসম অথবা তিব্বতৰ মাজেৰে ভাৰতত প্ৰৱেশ কৰে। কিন্তু এওলোকৰ অসমলৈ বা ভাৰতবৰ্ষলৈ অহাৰ সঠিক সময় নিৰ্ধাৰণ কৰিবলৈ আজিকোপতি উপযুক্ত ঐতিহাসিক প্ৰমাণৰ অভাৱ। যজুৰ্বেদ আৰু অথৰ্ববেদত কিৰাতৰ উল্লেখ থকাটোৱেই তিব্বত-বৰ্মী মংগোলীয় লোকসকলে প্ৰাক-বৈদিক কালতে এই ভূ-খণ্ডৰে প্ৰব্ৰজন কৰাৰ প্ৰমাণ দিয়ে। কাৰণ বৈদিক আৰু সংস্কৃত সাহিত্যত মংগোলীয় গোষ্ঠীৰ লোকসকলক কিৰাত নামেৰে উল্লেখ কৰা হৈছে। এই কিৰাত নামটোৰ প্ৰথম উল্লেখ যজুৰ্বেদত পোৱা যায়। পুৰুষমেধ যজ্ঞ সম্পাদনৰ বাবে প্ৰয়োজনীয় সম্ভাৰৰ তালিকাত গুহাৰ বাবে বাবে গুহাবাসী কিৰাত শব্দটোও আছে। আনহাতে মহাভাৰতৰ বিভিন্ন ঘটনা, খ্ৰীষ্টীয় দশম শতিকাত ৰচিত কালিকা-পুৰাণৰ বৰ্ণনা, যজুৰ্বেদ, অথৰ্ববেদ, বিষ্ণুপুৰাণ, মাৰ্কণ্ডেয় পুৰাণ তথা হৰিবংশত থকা কিৰাতৰ বিভিন্ন উল্লেখ পৰা কিৰাতসকল মংগোলীয় গোষ্ঠীৰ বুলি আমি নিশ্চিত হোৱাৰ লগতে অতি প্ৰাচীন কালৰে পৰা তেওলোকে ভাৰতবৰ্ষৰ উত্তৰ আৰু উত্তৰ-পূৰ্বাঞ্চল তথা প্ৰাগজ্যোতিষ বা কামৰূপত বসবাসৰ কৰা বুলি আমি কব পাৰো। অৰ্থাৎ প্ৰাক-বৈদিক কালৰেপৰা তিব্বত-বৰ্মীভাষী মংগোলীয় লোকসকলে অসমত বসবাস কৰি আছে। নবীন চন্দ্ৰ শৰ্মাই উল্লেখ কৰিছে যে “চীন-তিব্বত ভাষা-ভাষী যিসকল মংগোলীয় গোষ্ঠীৰ লোক ভাৰতবৰ্ষলৈ প্ৰব্ৰজিত হৈ ভাৰতীয় সংস্কৃতিৰ

4G 7:56 ... 89%
Do Search Within Portal

পূৰ্বৰপৰা ভূমধ্যসাগৰীয় ৰজা আছিল। (Baruah 1936)
ভূমধ্যসাগৰীয় লোকৰ আনুমানিক চৰিত্ৰলৈ লক্ষ্য কৰিলেও আমি কোনো কোনো অসমীয়া জাতিগোটৰ মাজত ভূমধ্যসাগৰীয় লক্ষণ দেখা পাও।

সুনীতি কুমাৰ চেটাৰ্জীৰ কিৰাত-জন-কীৰ্তি গ্ৰন্থত উল্লেখ থকা মতে অন্ততঃ খ্ৰীষ্ট পূৰ্ব ৭০০ বছৰৰ আগতে ইণ্ড-আৰ্য লোক বিহাৰত উপস্থিত হয়। তাৰপৰা তেওলোকে পূবলৈ প্ৰব্ৰজন আৰম্ভ কৰি অসমত উপনীত হয়। অসমলৈ কিন্তু তেওলোক একেলগে একেটা দলতে অহাৰ সলনি ভিন ভিন সময়ত বেলেগ বেলেগ দল হিচাপেহে প্ৰৱেশ কৰিছিল। কিন্তু তেওলোকে কোন সময়ত বা কোনখিনি সময়ৰ ভিতৰত অসমত প্ৰৱেশ কৰে সেয়া সঠিককৈ কবলৈ কোনো ঐতিহাসিক প্ৰমাণ আমাৰ হাতত নাই। কামৰূপৰ ৰজা ভাস্কৰবৰ্মাৰ সময়ৰ অৰ্থাৎ সপ্তম শতিকাৰ ডুবী আৰু নিদানপুৰ তাম্ৰলিপিৰপৰা সেই সময়ত এই ৰাজ্যত ইণ্ড-আৰ্য লোকে বাস কৰাৰ বিষয়ে জনা যায়। তেওৰ সময়তে কামৰূপলৈ অহা চীনা পৰিব্ৰাজক হিউৱেনচাঙৰ টোকাতো সেই সময়ত এই ৰাজ্যত ব্ৰাহ্মণ আৰু কায়স্থ লোকে বাস কৰাৰ উল্লেখ পোৱা যায়। আনহাতে পৌৰাণিক কাহিনীতো আমি শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধ আৰু বাণৰ জীয়াৰী উষাৰ প্ৰণয় আৰু বিবাহ, শ্ৰীকৃষ্ণই কুণ্ডিল নগৰ অৰ্থাৎ শদিয়াৰপৰা ৰুক্মিণীক হৰণ কৰি নিয়া, তৃতীয় পাণ্ডৱ অৰ্জুনে মণিপুৰৰ ৰাজকন্যা চিত্ৰাংগদাৰ লগত বিবাহপাশত আৱদ্ধ হোৱা, ভীমে হিড়িম্বাক পত্নী ৰূপে গ্ৰহণ কৰা আদি উদাহৰণবোৰৰ মাজেৰে ইণ্ড-আৰ্যৰ লগত উত্তৰ-পূৰ্বাঞ্চল বা অসমৰ মানুহৰ সম্বন্ধ হোৱা দেখা পাও। এইদৰে বিভিন্ন প্ৰকাৰৰ ককেছীয় লোক একমাত্ৰ উত্তৰ-পশ্চিম দিশৰপৰাই ভাৰতবৰ্ষত প্ৰৱেশ কৰে আৰু তাৰে কিছুমান সময়ত পূব দিশলৈ গতি অগ্ৰসৰ হৈ শেষত অসমত সোমায়।(দাস, ২০০৩, পৃ.৬২) এইক্ষেত্ৰত পণ্ডিতসকল একমত যদিও ব্যতিক্ৰম হিচাপে উত্তৰ-পূব দিশৰপৰাও ভাৰতলৈ ককেছীয়ৰ আগমনৰ সম্ভাৱনাৰ কথা কৈছে কীনে। তেওৰ মতে ককেছীয়ৰ আদিম বাসস্থানৰ এদল ককেছীয় লোকে মংগোলীয়াৰ মাজেৰে চীন দেশ আৰু জাপানলৈ প্ৰব্ৰজন কৰিছিল বুলি ভাবিবলৈ যুক্তিসংগত কাৰণ নথকা নহয়। সময়ত মংগোলীয় লোকৰ অভ্যুত্থান আৰু সম্প্ৰসাৰণৰ ফলত

কালক্ৰমত উত্তৰ-পূৰ দিশেৰে অসমত প্ৰৱেশ কৰাৰ সম্ভাৱনা দেখা যায়। ... অসমত প্ৰৱেশ কৰা বুলি কোনো কোনোৱে কব খোজে। কনকলাল বৰুৱাৰ মতে আকৌ পূব ভাৰতলৈ বৈদিক আৰ্যৰ আগমন হোৱাৰ পূৰ্বেই আলপাইন প্ৰজাতিৰ লোকে ইয়াৰ সভ্যতা-সংস্কৃতি গঢ় দিয়াত আৰু বিকাশত প্ৰভূত অৰিহণা যোগাইছে। পিছত বৈদিক আৰ্যৰ আগমনৰ ফলত তেওলোকৰ সংস্কৃতিয়ে পূৰ্বৰ আলপাইনীয় সংস্কৃতি অস্পষ্ট কৰি পেলায়। পিছে নৃতাত্ত্বিক দৃষ্টিৰে অসমীয়া মানুহৰ মাজত আলপাইন-আৰ্মেনীয় প্ৰজাতিৰ জৈৱিক উপাদানৰ উপস্থিতিৰ কথা কোনোৱে অস্বীকাৰ কৰিব নোৱাৰে।

**সামৰণি –**

উপৰোক্ত থূলমূল আলোচনাৰ পৰা আমি দেখা পাও যে ইতিহাসে ঢুকি নোপোৱা সময়ৰ পৰা ইতিহাসৰ পাতত লিপিবদ্ধ সময়লৈকে (আনকি এই ভূ-খণ্ডত মংগোলীয় প্ৰজাতিৰ আহোম সকলেই প্ৰথম বুৰঞ্জী লিখাৰ পৰম্পৰা আৰম্ভ কৰে) বিভিন্ন সময়ত ভিন ভিন পথেৰে নানান সৰু-বৰ গোটে এই ভূ-খণ্ডলৈ প্ৰব্ৰজন কৰিছিল, কোনোৱে আকৌ এই ভূ-খণ্ডৰ মাজেৰে বিশ্বৰ অন্য প্ৰান্তলৈও প্ৰব্ৰজন কৰিছিল – এৰি থৈ গৈছিল তেওলোকৰ জৈৱিক আৰু সাংস্কৃতিক উপাদান। এই ক্ষেত্ৰত ভিন ভিন নৃগোষ্ঠীয় লোকসকলে মূলতঃ নদী পথ, এসময়ৰ সীমান্তৱৰ্তী সাগৰীয় পথ তথা অসম আৰু উত্তৰ-পূৰ্বাঞ্চলক চৌদিশে আৱৰি থকা পাহাৰীয়া পথ বা গিৰিপথসমূহকে প্ৰব্ৰজনৰ পথ হিচাপে ব্যৱহাৰ কৰিছিল। উপযুক্ত ঐতিহাসিক প্ৰমাণৰ অভাৱত আমি ইতিহাসত লিপিবদ্ধখিনিৰ বাদে বাকীখিনি প্ৰব্ৰজনৰ বিষয়ে সৰ্বশেষ উত্তৰ দিবলৈ আজিকোপতি সক্ষম হোৱা নাই। কিন্তু এই প্ৰব্ৰজনসমূহে এই ভূ-খণ্ডৰ সভ্যতা-সংস্কৃতিক এক অনন্য গতি প্ৰদান কৰিছিল। ক্ৰমে ক্ৰমে গঢ়ি উঠিছিল এই বৈচিত্ৰ্যপূৰ্ণ ভূমি খণ্ডত নানান আলৈ-আহুকাল, বিদ্ৰোহ-বিপ্লৱৰ মাজতো এডাল একতাৰ অদৃশ্য এনাজৰী। কিন্তু আজি আমি উত্তৰ-আধুনিক পৃথিৱীৰ মানুহ হৈ যেন ছিঙি পেলাইছো একতাৰ সেই এনাজৰীডাল। আজি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ চৌদিশ জ্বলি উঠিছে, সকলোতে বিদ্ৰোহ আৰু বিপ্লৱে নিতৌ কাঢ়ি নিছে প্ৰত্যেকৰে আত্মীয়ক। এইসমস্তৰপৰা নিস্তাৰ পোৱাৰ কাৰণে বাৰু